**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-12-2025
**Time :** 18-00  Hrs

## ASSAMESE  EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। শিলচৰৰ উধাৰবন্দত আজি ১৫ হাজাৰ ৩০১গৰাকী আত্মসহায়ক গোটৰ মহিলাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

২। তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে আজি অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যৰ আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ।

৩। ৰাজ্যৰ ১৮গৰাকী সাহিত্যিকক সাহিত্য বঁটা আৰু ১০গৰাকী সাহিত্যিকক সাহিত্যিক পেঞ্চন প্ৰদান। **আৰু**

৪। মাজুলীত আজিৰে পৰা চাৰিদিনীয়াকৈ চৰাইচোং মহোৎসৱ।

**00000**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উধাৰবন্দত সমষ্টিটোৰ ১৫ হাজাৰ ৩০১গৰাকী আত্মসহায়ক গোটৰ মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয় যে চৰকাৰে ৰাজ্যৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। ইয়াৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সবলীকৰণৰ পথ প্ৰশস্ত হ'ব বুলি তেওঁ উল্লেখ কৰে। ভাষণ প্ৰসংগত ড০ শৰ্মাই ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনকল্যানমূলক আঁচনিত আলোকপাত কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে আজি শিলচৰৰ আৰক্ষী অতিথিশালাত নাহৰ পুলি ৰোপনেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰে। তেওঁ শিলচৰৰ গান্ধীঘাটত বৰাক নদীৰ দুয়োপাৰ সংযোগ কৰি নিৰ্মাণ হ'বলগীয়া মধুৰাঘাট সেতুৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰস্তাৱিত সেতুখনে অঞ্চলটোৰ জনগণৰ দীৰ্ঘদিনীয়া আশা-আকাংক্ষাক বাস্তৱায়িত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ড০ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত আজিৰ দিনটো শিলচৰবাসীৰ বাবে এটা ঐতিহাসিক ক্ষণ বুলি উল্লেখ কৰি কয় যে অহা দুবছৰৰ ভিতৰত এই দলংখন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হ'ব।

বাইট (চি এম)

মুখ্যমন্ত্ৰী শৰ্মাই কাছাৰ জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক কামৰ কথা উল্লেখ কৰি শিলঘাটত নৱনিৰ্মিত দলঙৰ কাম প্ৰায় ৫০ শতাংশ সম্পূৰ্ণ হোৱাৰ উপৰি কৰাটিগ্ৰাম দলঙৰ নিৰ্মাণ কাৰ্য শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সকলোবোৰ প্ৰয়োজনীয় কাম ঠিক মতে আগবাঢ়িলে কেপিটেল পইণ্টৰ পৰা ৰাংগিৰখাৰীলৈ এলিভেটেড কৰিড'ৰৰ নিৰ্মাণৰ কাম অহা জানুৱাৰীৰ পৰা আৰম্ভ হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যই তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত হোৱা অনিয়মৰ পৰিপ্ৰেক্ষিতত প্ৰায় আঢ়ৈ মাহ ধৰি বিশ্ববিদ্যালয়খনত সৃষ্টি হোৱা অচলাৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে নিযুক্তি দিয়া হয়। ১৯৯৩ চনৰ তেজপুৰ বিশ্ববিদ্যালয় আইনৰ দুই নম্বৰ অনুচ্ছেদৰ ছয় নম্বৰ দফা অনুসৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকী এমাহতকৈ অধিক দিন দায়িত্বৰ পৰা আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত জ্যেষ্ঠ অধ্যাপকগৰাকীয়ে ভাৰপ্ৰাপ্ত অধ্যাপকৰ দায়িত্ব গ্ৰহণ কৰে। ইতিপূৰ্বে এই সন্দৰ্ভত নিৰপেক্ষ তদন্তৰ দাবী জনাই বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰী সমাজে চলোৱা

প্ৰতিবাদৰ ফলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক শীঘ্ৰেই এই বিষয়ত হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনাইছিল। শিক্ষা মন্ত্ৰালয়ৰ উচ্চ শিক্ষা বিভাগৰ যুটীয়া সচিব সৌম্য গুপ্তাই আজি বিশ্ববিদ্যালয়খনৰ চৌহদত শিক্ষাৰ্থী, ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰীসকলৰ সৈতে হোৱা আলোচনাত পূৰ্বৰ উপাচাৰ্যগৰাকীৰ বিৰুদ্ধে বিভিন্ন দিশত হোৱা অনিয়মৰ অভিযোগসমূহ লিখিতভাৱে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়কলৈ প্ৰেৰণ কৰে। এই পত্ৰত ড০ শম্ভুনাথ সিঙৰ বিৰুদ্ধে কঠোৰ আৰু সময়োচিত তদন্ত আৰম্ভ কৰিবলৈ উচ্চ শিক্ষা বিভাগ দায়বদ্ধ বুলিও উল্লেখ কৰা হৈছে।

উল্লেখযোগ্য যে ভাৰপ্ৰাপ্ত উপাচাৰ্যগৰাকীৰ দায়িত্ব গ্ৰহণৰ পাছত অহা ৮ ডিচেম্বৰৰ পৰা বিশ্ববিদ্যালয়খনত হ'বলগীয়া যাণ্মাষিকৰ পৰীক্ষাসমূহ নিৰ্ধাৰিত সূচী অনুসৰি অনুষ্ঠিত হোৱাটো নিশ্চিত হৈছে। ভাৰপ্ৰাপ্ত উপাচাৰ্যগৰাকীৰ দায়িত্ব গ্ৰহণৰ পাছত ছাত্ৰসমাজ আশ্বস্ত হৈছে যদিও উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

০০০০০

বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি কটন বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত আজি ৰাজ্যৰ ১৮গৰাকী সাহিত্যিকক সাহিত্য বঁটা আৰু ১০গৰাকী সাহিত্যিকক সাহিত্যিক পেঞ্চন প্ৰদান কৰা হয়। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিশিষ্ট সাহিত্যিকসকলক বঁটা প্ৰদান কৰে। বৰেণ্য কথাশিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই মন্ত্ৰী শ্ৰীপেগুৱে হোমেন বৰগোহাঞিৰ আদৰ্শই ৰাজ্যৰ নৱ প্ৰজন্মক আজিও সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰে বুলি মন্তব্য কৰে। ২০২৫ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড০ সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে। সাহিত্য বঁটাপ্ৰাপকক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হয়। সাহিত্য পেঞ্চনপ্ৰাপকসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব।

অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিশ্ববিদ্যালয়সমূহক দক্ষতাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত দক্ষতা আৰু সাধাৰণ শিক্ষাৰ মাজত সমন্বয়ৰ কথা কোৱা হৈছে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কবিতা, সৃষ্টিশীল লিখনিৰ দৰে দক্ষতাৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ডাঃ পেগুৱে ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে প্ৰতিবেদনখন সন্দৰ্ভত মটক সংগঠনৰ পৰা এটা সংশোধনী আহিছে। এই সংশোধনী মৰ্মে পূৰ্বে উল্লেখ নথকা কিছু কথা প্ৰতিবেদনখনত সন্নিৱিষ্ট কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

বাইট (ডাঃ ৰণোজ পেগু)

০০০০০

১৬৩৩ খৃষ্টাব্দত স্বৰ্গদেউ প্ৰতাপ সিংহই মাজুলীত সংৰক্ষণ কৰা অসমৰ প্ৰথমখন ৰাজকীয় পক্ষী উদ্যান চৰাই চোঙৰ ৩৯২ বছৰীয়া ঐতিহ্য সুঁৱৰি চৰাইচোঙত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা তথা পক্ষী বিচৰণক্ষেত্ৰ হিচাপে পুনৰ উজ্জিৱীত কৰাৰ উদ্দেশ্যে আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে **চৰাইচোং মহোৎসৱ ২০২৫** অনুষ্ঠিত হৈছে। মাজুলী সাহিত্যৰ উদ্যোগত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত এই মহোৎসৱৰ আজি পুৱা গছপুলি ৰোপন কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। অনুষ্ঠানত লেখক সাহিত্যিক সমাৰোহ, শ্ৰীধৰ বৰুৱা ওজা ৰাজ্যিক সাহিত্য বঁটা প্ৰদান, তৰুণ চন্দ্ৰ পামেগাম জন্ম শতবাৰ্ষিকী পালন আদি কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। চৰাইচোং মহোৎসৱত ১০ খনকৈ গ্ৰন্থ প্ৰকাশ, দুখন প্ৰকৃতি বিষয়ক আলোচনাচক্ৰ, বাণিজ্য মেলা, গ্ৰন্থমেলা, টুনী পৰ্যটন পৰিবেশন আদি কাৰ্যসূচীও হাতত লোৱা হৈছে।

০০০০০

নগাঁও জিলাৰ নেহৰুবালিত আজি জিলাখনৰ সামাজিক-সাংস্কৃতিক সংগঠন প্ৰবাহৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত সৰ্বভাৰতীয় হাফ মাৰাথন অনুষ্ঠিত হয়। তিনিটা শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাত মণিপুৰ, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা, উত্তৰ প্ৰদেশকে ধৰি দেশৰ বিভিন্ন ঠাইৰ ৩০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। মাৰাথনত বিজয়ী প্ৰতিযোগীক নগদ আঢ়ৈ লাখ টকা, ট্ৰফী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট গুৰু আসনৰ প্ৰতীক খোদিত এটা স্মাৰক প্ৰদান কৰা হয়। অসমীয়া

জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষগৰাকীৰ সৃষ্টিৰাজি বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ অনন্য প্ৰয়াস হিচাপে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আজি লোকভৱনত আয়োজিত এটা কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দেশৰ হৈ প্ৰাণ ত্যাগ কৰা বীৰ জোৱানৰ পৰিয়ালক সম্বৰ্দ্ধনা জনোৱাৰ লগতে প্ৰাক্তন সেনা জোৱানকো সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ লগতে সশস্ত্ৰ বাহিনীৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে এই দিৱসৰ লগত সংগতি ৰাখি এখন কেলেণ্ডাৰো উন্মোচন কৰে। শ্ৰীআচাৰ্যই ইয়াৰ পূৰ্বে আজি পুৱা কেপ্তেইন যতীন্দ্ৰ চন্দ্ৰ ৰয়ৰ সাতগাঁৱত থকা বাসগৃহলৈ গৈ তেওঁক সম্বৰ্দ্ধনা জনায়। ৰাজ্যপালগৰাকীয়ে ৯২ বছৰীয়া অৱসৰপ্ৰাপ্ত সেনা বিষয়াগৰাকীক ৰাষ্ট্ৰৰ সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ কাৰণে এই সন্মান জনায়।

সশস্ত্ৰ বাহিনীৰ পতাকা দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ অন্যান্য ঠাইত **সৈনিক তুঝে চালাম** শীৰ্ষক কাৰ্যসূচীৰ অংশ হিচাপে ৯০ বছৰৰ উৰ্ধৰ প্ৰাক্তন সৈনিকসকলক সম্বৰ্ধনা জনোৱা হয়। গোৱালপাৰা জিলাৰ জ্যোতিনগৰৰ বাসিন্দা ৯৪ বছৰীয়া প্ৰাক্তন সৈনিক দুৰ্গাবাহাদুৰক আজি এই উপলক্ষে সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে সৈনিকজনে ৬২ চনৰ চীনা যুদ্ধত আৰু ১৯৬৫ চনৰ পাকিস্তান যুদ্ধত অংশগ্ৰহণ কৰি দেশভক্তিৰ অনন্য স্বৰূপৰ উদাহৰণ দাঙি ধৰিছে।

০০০০০

সমাপ্ত